**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১।	সমগ্ৰ দেশে আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিছে।

২।	২০২৫ বৰ্ষৰ পদ্ম সন্মানমূহ ঘোষণা কৰা হৈছে। এইবেলি মুঠ ১৩৯ গৰাকী বিশিষ্ট ব্যক্তিলৈ এই সন্মান আগবঢ়োৱা হৈছে।

৩।	এখন দেশ, এটা নিৰ্বাচন ব্যৱস্থা সম্পৰ্কীয় বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া দিয়া ভাষণত প্ৰকাশ কৰিছে।

*আৰু*

৪।	ভাৰতে যোৱা নিশা চেন্নাইত অনুষ্ঠিত চলিত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ইংলেণ্ডক ৰোমাঞ্চকৰভাৱে দুই উইকেটত পৰাস্ত কৰে।

ooooo

সমগ্ৰ দেশে আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্য পথত আয়োজিত এই দিৱস মূল অনুষ্ঠানত ৰাষ্ট্ৰক নেতৃত্ব দিব। গণৰাজ্য দিৱসৰ কুচকাৱাজ পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্য, সামৰিক শক্তি, সংবিধান গ্ৰহণৰ ৭৫ বৰ্ষ সম্পূৰ্ণ হোৱা আৰু জনসাধাৰণৰ অংশগ্ৰহণত আলোকপাত কৰি প্ৰদৰ্শন কৰা এই কুচকাৱাজ অনন্য হ'ব। কুচকাৱাজৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাৰ্ঘ্য নিবেদন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এখন **ঘোঁৰা বাগী**ৰে কৰ্তব্য পথত উপস্থিত হোৱাৰ পাছত সুৰক্ষা বাহিনীসমূহৰ সামৰিক অভিবাদন গ্ৰহণ কৰিব। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়াণ্টো এইবাৰ এই দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই কুচকাৱাজত ইণ্ডোনেছিয়াৰ ১৬০ গৰাকী আৰু ১৯০ গৰাকী সদস্যৰ দুটা দলে অংশ ল'ব। **স্বৰ্ণিম ভাৰত ঃ ঐতিহ্য আৰু উন্নয়ন** বিষয়বস্তুৰে সাজি উলিওৱা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ ৩১ টা প্ৰতীকপট এই গণৰাজ্য দিৱসৰ কুচকাৱাজত অন্তৰ্ভুক্ত হ'ব। এই অনুষ্ঠানলৈ দেশৰ বিভিন্ন ক্ষেত্ৰৰ পৰা উল্লেখনীয় বৰঙণি আগবঢ়োৱা ভালেসংখ্যক ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছে। ৩৪টা শাখাত দেশৰ বিভিন্ন প্ৰান্তৰ ১০ হাজাৰ বিশেষ অমন্ত্ৰিত অতিথিয়ে এই অনুষ্ঠানত অংশ ল'ব।

ooooo

গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি প্ৰয়াগৰাজৰ কুম্ভমেলাৰ গংগা মণ্ডপত ভাৰতৰ অনুপম সংস্কৃতিক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত পৰ্যটকসকলে আধ্যাত্মিকতা, ভাৰতীয় সংস্কৃতি আৰু দেশপ্ৰেমৰ সমাৰেশ দেখিবলৈ পাব।

ooooo

২০২৫ বৰ্ষৰ পদ্ম সন্মানমূহ ঘোষণা কৰা হৈছে। এইবেলি মুঠ ১৩৯ গৰাকী বিশিষ্ট ব্যক্তিলৈ এই সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে ভিতৰত ৭ গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বিভূষণ, ১৯ গৰাকীক পদ্মভূষণ আৰু ১১৩ গৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হৈছে। ১৩ গৰাকীলৈ মৰণোত্তভাৱে এই বঁটা আগবঢ়োৱা হৈছে। ভাৰতীয় লেখক এম টি ৱাসুদেৱন নায়াৰ, ছুজুকি মটৰ কৰ্পোৰেচনৰ প্ৰাক্তন অধ্যক্ষ ওছামা ছুজুকি আৰু গায়িকা সাৰদা সিনহাক মৰণোত্তৰভাৱে পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰা হৈছে। বিশিষ্ট গায়ক পংকজ উধাস আৰু অৰ্থনীতিবিদ বিবেক দেৱৰয়লৈ মৰণোত্তৰভাৱে পদ্ম ভূষণ সন্মান আগবঢ়াইছে। হকী খেলুৱৈ পি আৰ সৃজেশকো পদ্ম ভূষণ সন্মানেৰে বিভূষিত কৰা হৈছে। ক্ৰিকেটাৰ আৰ অশ্বিন আৰু ফুটবল খেলুৱৈ আই এম বিজয়নক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছে।

পদ্ম সন্মান লাভ কৰা সকলৰ ভিতৰত অসমৰো ৫ গৰাকী বিশিষ্ট্য ব্যক্তি আছে। যশস্বী নৃত্য শিল্পী, সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন গোস্বামীলৈ চলিত বৰ্ষৰ পদ্মভূষণ সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো, গীতা উপাধ্যায় আৰু ডিমা হাচাও জিলাৰ প্ৰবীন লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰী, কলাৰ ক্ষেত্ৰত ৰেবকান্ত মহন্তলৈ ২০২৫ বৰ্ষৰ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেবাখনো ৰাজ্যৰ বিশিষ্ট ব্যক্তিয়ে এইবাৰ পদ্ম সন্মান লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম সন্মান লাভ কৰা বিশিষ্ট ব্যক্তিসকলক অভিনন্দন জনাইছে। শ্ৰী মোদীয়ে কালি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই ব্যক্তিসকলৰ অসাধাৰণ সাফল্যক সন্মান জনাবলৈ পাই দেশ গৌৰৱান্বিত হৈছে। পদ্ম সন্মান প্ৰাপকসকলৰ নিষ্ঠা আৰু দৃঢ়তা সঁচাকৈ প্ৰেৰণাদায়ক বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে পদ্ম সন্মান লাভ কৰা প্ৰতিগৰাকী ব্যক্তি কঠোৰ পৰিশ্ৰম, উৎসাহ, নিষ্ঠা আৰু উদ্ভাৱনৰ প্ৰতিমূৰ্তিস্বৰূপ। এই ব্যক্তিসকলে অগণন লোকৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলোৱা বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া কালি ৰাষ্ট্ৰপতিৰ উপকূলৰক্ষী পদক আৰু উপকূলৰক্ষীৰ পদকৰ তালিকাত অনুমোদন জনাইছে। অদম্য সাহস, কৰ্তব্যৰ প্ৰতি অভূতপূৰ্ব নিষ্ঠা আৰু বিশিষ্ট সেৱাৰ স্বীকৃতি স্বৰূপে এই বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰপতিৰ লগতে সশস্ত্ৰ বাহিনীৰ ৫৮ গৰাকী কৰ্মীলৈ মেনছন ইন ডেছপাট্‌চেছ সন্মানেৰে সন্মানিত কৰা হৈছে। ইয়াৰে ভিতৰত ৪ গৰাকীলৈ মৰণোত্তৰভাৱে এই সন্মান আগবঢ়োৱা হৈছে। সন্মান প্ৰাপকসকলৰ ভিতৰত ৫৫ গৰাকী স্থল সেনাৰ জোৱান আছে। ইয়াৰে ভিতৰত ৰক্ষক অভিযানৰ বাবে ১৪ গৰাকীক স্নো লিঅ'পাৰ্ড অভিযানৰ বাবে ৮ গৰাকীক, হিফাজত অভিযানৰ বাবে ৬ গৰাকীক আৰু সহায়তা অভিযানৰ বাবে ২ গৰাকীক এই সন্মামেৰে বিভূষিত কৰা হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি কালি সশস্ত্ৰ বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৯৩ গৰাকী জোৱানক সাহসীকতাৰ বঁটা আগবঢ়ায়। ইয়াৰ ভিতৰত এঘাৰগৰাকীক মৰনোত্তৰভাৱে এই বঁটা প্ৰদান কৰা হৈছে। বঁটা লাভ কৰাসকলৰ ভিতৰত ১৪ গৰাকী শৌৰ্য্য চক্ৰ, এগৰাকীক সাহসীকতাৰ সেনা পদক, ৬৬ গৰাকীক সেনা পদক, দুগৰাকীক সাহসীকতাৰ নৌসেনা পদক আৰু ৮ গৰাকীক বায়ু সেনাৰ সাহসীকতাৰ পদক প্ৰদান কৰা হৈছে। মেজৰ মনজিত আৰু নায়ক দিলবাৰ খানক মৰনোত্তৰভাৱে কীৰ্তিচক্ৰ আগবঢ়োৱা হৈছে।

শ্ৰীমতী মুৰ্মুৱে লগতে ৩০৫ গৰাকী জোৱানলৈ প্ৰতিৰক্ষা অলংকৰণ আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন দিছে।

ooooo

সংসদত উত্থাপিত এখন দেশ, এটা নিৰ্বাচন ব্যৱস্থা সম্পৰ্কীয় বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন পৰিকল্পনাই প্ৰশাসনলৈ সুস্থিৰতা আনিব, নীতি স্থবিৰতা দূৰ কৰিব, সম্পদৰ বিচ্যুতি ৰোধ কৰিব আৰু বিত্তীয় বোজা লাঘৱ কৰিব। এনেধৰণৰ ব্যাপক সংস্কাৰৰ বাবে সাহসী দৃষ্টিভংগীৰ প্ৰয়োজন বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশত ১৯৪৭ চনৰে পৰা ভাৰতীয় জনসাধাৰণৰ মাজত শিপাই থকা ঔপনিৱেসিক মানসিকতাৰ পৰিৱৰ্তনৰ বাবে শক্তিশালী প্ৰচেষ্টা চলি আছে। ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী কাৰ্যবিধি আৰু ভাৰতীয় সাক্ষ্য আইনৰ ঠাইত ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধীনিয়ম প্ৰণয়নৰ সিদ্ধান্ত এনে প্ৰচেষ্টাৰ অন্যতম বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

গণৰাজ্য দিৱস সকলো জনসাধাৰণৰ বাবে সমূহীয়া আনন্দ আৰু গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে বিগত ৭৫ বছৰত ভাৰতে মৈত্ৰী ৰাষ্ট্ৰসমূহৰ মাজত সঠিক স্থান লাভ কৰাৰ দিশত অগ্ৰসৰ হ'বলৈ সমৰ্থ হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত ৰাষ্ট্ৰলৈ উদ্দেশ্যি দিয়া ভাষণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক ধন্যবাদ জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে উল্লেখ কৰে যে ৰাষ্ট্ৰপতিগৰাকীৰ ভাষণত ভালেমান গুৰুত্বপূৰ্ণ বিষয়ে স্থান লাভ কৰিছে। ৰাষ্ট্ৰপতিৰ ভাষণত সংবিধানৰ মহত্ত্বৰ লগতে দেশৰ প্ৰগতিৰ বাবে কাম কৰাৰ আৱশ্যকতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হৈছে বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়াণ্টোক আদৰণি জনায়। শ্ৰীমতী মুৰ্মুৱে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে নৈশ ভোজন আয়োজন কৰে। প্ৰথম চৰকাৰী ভ্ৰমণসূচীৰে ভাৰতলৈ অহা শ্ৰী ছুবিয়াণ্টোক আদৰণি জনাই ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সম্পৰ্ক হেজাৰ হেজাৰ বছৰ পুৰণি। তেওঁ লগতে কয়, যে বহুত্ববাদ, সৰ্বাত্মকতা আৰু আইনৰ শাসনৰ দৰে উমৈহতীয়া প্ৰমূল্যৰাজীয়ে দেশ দুখনৰ মাজৰ সম্পৰ্কক নতুন দিশ প্ৰদান কৰিছে। শ্ৰীমতী মুৰ্মুৱে লগতে গণৰাজ্য দিৱস উদযাপন

অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ বাবে জনোৱা আমন্ত্ৰণ গ্ৰহণ কৰাৰ বাবে শ্ৰী ছুবিয়াণ্টোক ধন্যবাদ জনায়।

০০০০০

ভাৰতে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত চলিত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ইংলেণ্ডক ৰোমাঞ্চকৰভাৱে দুই উইকেটত পৰাস্ত কৰে। ভাৰতে ১৬৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ২ টা বলত ৮টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ তিলক বাৰ্মাই ৫৫টা বলত ৭২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৱাশ্বিংটন সুন্দৰে ১৯ টা বলত ২৬ ৰানৰ বৰঙণি আগবঢ়ায়। দলৰ বাকী কেইগৰাকী বেটছমেন ব্যৰ্থ হয়। তিলক বাৰ্মাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰে।

ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৬৫ ৰান কৰে। ইংলেণ্ডৰ হৈ অধিয়ানক জ'ছ বাটলাৰে সৰ্বাধিক ৪৫ ৰান কৰে। ভাৰতৰ অক্ষৰ পেটেল আৰু বৰুণ চক্ৰৱৰ্তীয়ে দুটাকৈ উইকেট দখল কৰে। এই জয়ৰ সুবাদত ভাৰত শৃংখলাত ২-০ ফলাফলেৰে আগবাঢ়ি আছে।

শৃংখলাৰ তৃতীয়খন খেল মঙলবাৰে গুজৰাটৰ ৰাজকোটত খেলোৱা হ'ব।

০০০০০

যোৱাবাৰৰ চেম্পিয়ন ভাৰতে আজি কোৱালালামপুৰত হ'বলগীয়া মহিলাৰ ১৯ বছৰ অনুৰ্ধ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চুপাৰ ছিক্স পৰ্যায়ৰ এখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দুপৰীয়া ১২ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত